সত্যনিষ্ঠ সাংবাদিকতাত উৎসৰ্গিত

গুৱাহাটী, যোৰহাট আৰু লখিমপুৰৰ পৰা প্ৰকাশিত

আমাৰ অসম

গুৱাহাটী ☐ সোমবাৰ ☐ ১৫ আহাৰ ১৯৪১ শক ☐ ১ জুলাই ২০১৯ ☐ ত্ৰয়োবিংশ বছৰ ☐ সংখ্যা ৭২ ☐ মূল্য ঃ ৭·০০ টকা ★



AMARASOM - 01/07/19

### সংবাদ মেলত 'চিটিজেনছ্ ফৰ জাষ্টিচ এণ্ড পীচ'ৰ নেতৃত্ব ■ প্ৰয়োজনীয় নথি দিয়াৰ পাছতো বহু ভাৰতীয়ক বিদেশী ঘোষণা কৰিছে বিদেশী ন্যায়াধিকৰণে

# বিদেশী ন্যায়াধিকৰণৰ ৰায়দান প্ৰক্ৰিয়া বিসংগতিপূৰ্ণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৩০ জুন ঃ** প্ৰকৃত ভাৰতীয় নাগৰিকক বিদেশী সজাই হাৰাশাস্তি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে 'চিটিজেনছ্ ফ'ৰ জাষ্টিচ এণ্ড পীচ' (চি জে পি) নামৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ মানৱাধিকাৰ সংগঠনটোৱে। বিশেষকৈ, বিদেশী ন্যায়াধিকৰণৰ ৰায়দান প্ৰক্ৰিয়াক লৈ সংগঠনটোৱে প্ৰশ্ন উত্থাপন কৰিছে। দেওবাৰে গুৱাহাটীত আয়োজন কৰা এখন সংবাদ মেলত চি জে পিৰ নেতৃত্বই ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ নামত ৰাজ্যত মানৱ অধিকাৰ ভংগৰ অভিযোগ উত্থাপন কৰে। সংবাদ মেলত বিশিষ্ট মানৱাধিকাৰ কৰ্মী তথা উচ্চতম ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মিহিৰ দেশায়ে কয়—'য'তেই মানৱাধিকাৰ ভংগ হয়, তাতেই আমি উপস্থিত হৈ পৰিস্থিতিৰ অধ্যয়ন কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰোঁ। অসম চুক্তিৰ আধাৰত অসমত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ কৰা হৈছে। ইয়াত ক'বলগীয়া একো নাই। কিন্তু এই প্ৰক্ৰিয়াৰ নামত মানৱাধিকাৰ ভংগৰ অভিযোগ আমি লাভ কৰিছোঁ। যাৰ পৰিপ্ৰেক্ষিতত বিগত দুদিন আমি নগাঁও, মৰিগাঁও, বিজনী আৰু চিৰাঙৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰি বিভিন্ন লোকক সাক্ষাৎ কৰিছোঁ। হিন্দু-মুছলমান সকলোকে লগ ধৰি নথি-পত্ৰ পৰীক্ষা কৰিছোঁ। দেখা গৈছে— যুগ যুগ ধৰি ইয়াতে থকা তথা বাংলাদেশৰ লগত সম্পৰ্ক নথকা আৰু ১৯৭১ চনৰ পূৰ্বৰ নথিপত্ৰ দাখিল কৰাৰ পাছতো বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা বহু ভাৰতীয় লোকক বিদেশী ঘোষিত কৰা হৈছে। বিদেশী ঘোষণা কৰা তথা ৰায়দান দিয়াৰ সম্পূৰ্ণ আধাৰটোৱেই বিসংগতিপূৰ্ণ তথা ভুল। এন আৰ চিত নাম নথকা তথা বিদেশী ন্যায়াধিকৰণে বিদেশী বুলি ঘোষণা কৰাৰ ফলত এজন নাগৰিকক সামাজিকভাৱে হত্যা কৰা হয়। বিদেশী ন্যায়াধিকৰণৰ সিদ্ধান্ত স্বচ্ছ হ'ব লাগে আৰু শুনানি প্ৰক্ৰিয়া মুক্ত হ'ব লাগে। শুনানিৰ সময়ত সংবাদ মাধ্যমৰ প্ৰৱেশত বাধা থাকিব নালাগে। কিন্তু ইয়াত সংবাদ মাধ্যমক অনুমতি দিয়া হোৱা নাই আৰু বন্ধ কোঠাত শুনানি গ্ৰহণ কৰি ৰায় দিয়া হৈছে। ইয়াৰ দ্বাৰা সংবিধান উলংঘা কৰা হৈছে। আনহাতে, বিদেশী ন্যায়াধিকৰণত সিদ্ধান্ত লোৱা লোকসকলৰ ন্যায়িক তথা আইনী অভিজ্ঞতা নাই। বিশেষকৈ, গোচৰ নিষ্পত্তি আৰু বিদেশী ঘোষণাৰ ক্ষেত্ৰত বিদেশী ন্যায়াধিকৰণসমূহক 'টাৰ্গেট' দিয়া হয়। 'টাৰ্গেট' সম্পূৰ্ণ কৰিব নোৱাৰিলে সমস্যসকলৰ চাকৰি নাথাকিব। যাৰ ফলত বহু ভাৰতীয়ক বিদেশী সজাই হাৰাশাস্তি কৰা হৈছে। বিশেষকৈ, দৰিদ্ৰ লোকসকল ইয়াৰ বলি হৈছে। যাৰ ফলত বিদেশী ন্যায়াধিকৰণৰ প্ৰতি বিশ্বাস নোহোৱা হৈছে আৰু ইয়াৰ কাৰণো সত্য। বিদেশী ন্যায়াধিকৰণে গোচৰসমূহ শীঘ্ৰে নিষ্পত্তি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ ফলত মানৱাধিকাৰ ভংগ হৈছে। ন্যায়াধিকৰণৰ স্বচ্ছতা নহ'লে ভয়াৱহ সংকট হ'ব। প্ৰয়োজনীয় নথি-পত্ৰ দাখিল কৰাৰ পাছতো বহুসংখ্যক ভাৰতীয় নাগৰিকক বিদেশী ঘোষণা কৰা হৈছে। বিবাহিত মহিলাৰ ক্ষেত্ৰত নথিপত্ৰক লৈ সমস্যাৰ সৃষ্টি কৰা হৈছে। দৰিদ্ৰ লোকসকলৰ বাবে আইনী যুঁজ দিয়াটো সম্ভৱ নহয়।' সংবাদ মেলত চিজেপিৰ সাধাৰণ সম্পাদিকা প্ৰখ্যাত মানৱাধিকাৰ কৰ্মী তিস্তা শীতলভাড়ে কয়—'৩১ জুলাইত এন আৰ চি প্ৰকাশ পাব। এখন শুদ্ধ এন আৰ চি সকলোৱে বিচাৰে। কিন্তু এই প্ৰক্ৰিয়াটোৰ বহু বিসংগতি আছে আৰু যাৰ ফলত মানৱ অধিকাৰ ভংগ হৈছে। বিদেশী ন্যায়াধিকৰণ এটা সাংবিধানিক প্ৰক্ৰিয়া। কিন্তু এই প্ৰক্ৰিয়াটো নিয়মৰ মাজেৰে চলা নাই। বহু গাফিলতি আছে। যাৰ ফলত ন্যায় লাভৰ পৰা বঞ্চিত হৈছে নাগৰিক। যিটো সংবিধানবিৰোধী। ন্যায়াধিকৰণৰ শুনানি প্ৰক্ৰিয়া মুক্তভাৱে হোৱা নাই। অৰ্থাৎ ইয়াত নিশ্চয় কিবা বিসংগতি আছে। সংবিধানপ্ৰদত্ত বিদেশী ন্যায়াধিকৰণৰ ন্যায় প্ৰক্ৰিয়াটোক বিসংগতিপূৰ্ণ কৰা হৈছে। ফলত বহু ভাৰতীয়ক বিদেশী ঘোষিত কৰা হৈছে। ন্যায়াধিকৰণে বহু নিয়ম মানি চলা নাই। ডি এন এ পৰীক্ষা কৰাৰো ব্যৱস্থা আছে যদিও কৰা হোৱা নাই। সংবাদ মেলত চি জে পিৰ কেইবাজনো বিষয়ববীয়া উপস্থিত আছিল। উল্লেখ্য, চি জে পিৰ এটা দলে ২৭ জুনৰ পৰা ২৯ জুনলৈ মৰিগাঁও, নগাঁও, বিজনী আৰু চিৰাঙত বিভিন্ন ঠাই ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়।